# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 01-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি উত্তৰ প্ৰদেশৰ গোৰখপুৰত মহাযোগী গুৰু গোৰখনাথ আয়ুষ বিশ্ববিদ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি ৱাশ্বিংটন ডিচিত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকত ভাগ ল'ব।

৩। নতুন দিল্লীত কালি ভাৰত-ভূটান উন্নয়নমূলক সহযোগিতা আলোচনাত বিভিন্ন অনুমোদিত প্ৰকল্পৰ ৰূপায়ণৰ অগ্ৰগতিক লৈ পৰ্যালোচনা কৰা হয়।

৪। আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৭৮ বছৰত ভৰি দিয়া উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

*আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মহিলা দলৰ মাজত চলি থকা পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ব্ৰিষ্টলৰ কাউণ্টি খেলপথাৰত অনুষ্ঠিত হ'ব।

০০০০০

উত্তৰ প্ৰদেশ ভ্ৰমণৰত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাজ্যখনৰ গোৰখপুৰত মহাযোগী গুৰু গোৰখনাথ আয়ুষ বিশ্ববিদ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। অনুষ্ঠানত ৰাজ্যখনৰ ৰাজ্যপাল আনন্দীবেন পেটেল আৰু মুখ্যমন্ত্ৰী যোগী আদিত্য নাথেও ভাগ ল'ব। একেটা অনুষ্ঠানতে ৰাষ্ট্ৰপতিগৰাকীয়ে শৈক্ষিক ভৱন, প্ৰেক্ষাগৃহ আৰু পঞ্চকৰ্ম কেন্দ্ৰ মুকলি কৰাৰ লগতে সোনবৰ্ছাত থকা মহাযোগী গোৰখনাথ বিশ্ববিদ্যালয়ৰ আৰোগ্যধাম চৌহদত ছাত্ৰীনিবাসৰ আধাৰশিলা স্থাপন কৰিব। ২০২১ চনৰ ২৮ আগষ্টত তদানিন্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে এই বিশ্ববিদ্যালয়খনৰ আধাৰশিলা স্থাপন কৰিছিল। ৫২ একৰ জুৰি বিয়পি থকা এই বিশ্ববিদ্যালয়খন ২৬৭ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰি উলিওৱা হৈছে। বিশ্ববিদ্যালয়খনে অঞ্চলটোত ঔষধী উদ্ভিদৰ ব্যৱসায়িক খেতিৰ প্ৰসাৰ ঘটাব আৰু কৰ্মসংস্থাপনৰ নতুন পথ মুকলি কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ পাছতে ৰাষ্ট্ৰপতিগৰাকীয়ে গোৰখনাথ মন্দিৰ পৰিদৰ্শন কৰিব। ৰাষ্ট্ৰপতিগৰাকীৰ ভ্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি গোৰখপুৰত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

পৃথিৱীৰ প্ৰতিখন ঠাইতে সন্ত্ৰাসবাদ শান্তিৰ প্ৰতি ভাবুকি বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে মন্তব্য কৰিছে। সন্ত্ৰাসবাদৰ প্ৰতি থকা ৰাষ্ট্ৰৰ পৃষ্ঠপোষকতা উদঙাই দিয়াৰ লগতে ইয়াক গৰিহণা দিয়াটো অত্যন্ত জৰুৰী বুলি তেওঁ প্ৰকাশ কৰে। নিউয়ৰ্কত থকা ৰাষ্ট্ৰসংঘৰ কাৰ্যালয়ত মানুহৰ ওপৰত সন্ত্ৰাসবাদৰ প্ৰভাৱ সন্দৰ্ভত আয়োজিত এখন প্ৰদৰ্শনী মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয়,

যে সন্ত্ৰাসবাদ হৈছে ৰাষ্ট্ৰসংঘৰ কাম-কাজসমূহৰ বিপৰীতমুখী শক্তি। যেতিয়াই কোনো ৰাষ্ট্ৰই নিজৰ প্ৰতিবেশী ৰাষ্ট্ৰৰ বিৰুদ্ধে সন্ত্ৰাসবাদীৰ কাৰ্যকলাপক সমৰ্থন কৰে, তেতিয়াই সন্ত্ৰাসবাদৰ বিৰুদ্ধে মাত মতাটো অতি জৰুৰী হৈ উঠে। সন্ত্ৰাসবাদীৰ প্ৰতি শূন্য সহনশীলতা আৰু পাৰমাণৱিক ভাবুকিৰ আগত শিৰনত কৰাৰ লেখীয়া কিছু মৌলিক ধাৰণা বিশ্বৰ প্ৰতিখন ৰাষ্ট্ৰই গ্ৰহণ কৰা উচিত বুলি অনুষ্ঠানত ড০ জয়শংকৰে মন্তব্য কৰে। তেওঁ কয়, যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে পেহেলগামত সংঘটিত সন্ত্ৰাসবাদীৰ কাৰ্যৰ তীব্ৰ নিন্দা কৰি দোষীসকলক শাস্তি দিবলৈ দাবী উত্থাপন কৰিছে। সন্ত্ৰাসবাদৰ সকলো ৰূপ আৰু প্ৰকাশৰ বিৰুদ্ধে যুঁজিবলৈ গোলকীয় সম্প্ৰদায়ৰ জৰুৰীকালীন দায়িত্বৰ ওপৰতো মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত আয়োজিত এই প্ৰদৰ্শনীত সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকসকলক উদঙাই দিয়াৰ প্ৰয়োজনত আলোকপাত কৰা হৈছে। ইয়াত কানাডাৰ সন্ত্ৰাসবাদীয়ে ১৯৮৫ চনত এয়াৰ ইণ্ডিয়াৰ বিমানত কৰা আক্ৰমণৰ পৰা আৰম্ভ কৰি পেহেলগামত সংঘটিত নাৰকীয় হত্যাকাণ্ডলৈ সন্ত্ৰাসবাদৰ ৪০ বছৰৰ চিত্ৰায়ন কৰা হৈছে। প্ৰদৰ্শনীত দেখুওৱা ২৯টা ঘটনাৰ ভিতৰত আমেৰিকাত ২০০১ চনত সংঘটিত ৯/১১ আক্ৰমণ, লণ্ডনত ২০০৫ চনত সংঘটিত বোমা বিস্ফোৰণ, ২০০৩ চনৰ বাগদাদ আক্ৰমণ, মস্ক'ৰ ক্ৰ'কাছ চিটী হলত বিগত বৰ্ষৰ হত্যাকাণ্ড আদি সামৰি লোৱা হৈছে।

মন্ত্ৰীগৰাকীয়ে আজি ৱাশ্বিংটন ডিচিত হ'বলগীয়া কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকত ভাগ ল'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে জাৰি কৰা এটা বিবৃতি অনুসৰি বিগত ২১ জানুৱাৰীত ৱাশ্বিংটনত অনুষ্ঠিত এনেধৰণৰ অন্তিমখন বৈঠকত হোৱা আলোচনা অনুসৰি আজিৰ বৈঠকত মন্ত্ৰীসকলে বিভিন্ন বিষয় লৈ মত বিনিময় কৰিব। এই আলোচনাত ভাৰত-প্ৰশান্ত মহাসাগৰ অঞ্চল সম্পৰ্কীয় বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয়ে আগস্থান পাব বুলি চৰ্চিত হৈছে।

০০০০০

হোৱাইট হাউছৰ প্ৰেছ সচিব কেৰ'লিন লিভিটে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ কৌশলগত মিত্ৰ হিচাপে ভাৰতে গ্ৰহণ কৰা ভূমিকাক প্ৰশংসা কৰিছে। ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত চীনৰ প্ৰভাৱকলৈ আমেৰিকাৰ দৃষ্টিভংগী সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত লিভিটে কয় যে, ভাৰত আজিও কৌশলগত মিত্ৰ হৈ আছে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ৰাষ্ট্ৰপতিৰ অতি ভাল সম্পৰ্ক আছে আৰু সেই সম্পৰ্ক অব্যাহত থাকিব। ভাৰত আৰু আমেৰিকাৰ মাজত হ'ব পৰা সম্ভাব্য বাণিজ্যিক চুক্তি সন্দৰ্ভত লিভিটে কয় যে, ইয়াৰ পূৰ্বে ড'নাল্ড ট্ৰাম্পে উল্লেখ কৰাৰ লেখীয়াকৈ আমেৰিকা আৰু ভাৰত বাণিজ্যিক চুক্তিৰ অতি ওচৰ চাপিছে। তেওঁ লগতে কয়যে, তেওঁলোকে এই চুক্তিসমূহ চূড়ান্ত কৰি আছে আৰু শীঘ্ৰে ৰাষ্ট্ৰপতি শ্ৰীট্ৰাম্পে এই বিষয়ত সদৰী কৰিব।

উল্লেখযোগ্য যে, QUAD বৈদেশিক মন্ত্ৰীৰ বৈঠকত অংশগ্ৰহণৰ বাবে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ আমেৰিকাত উপস্থিত হোৱাৰ সময়তে প্ৰেছ সচিবগৰাকীৰ এই মন্তব্য গুৰুত্বপূৰ্ণ বিবেচিত হৈছে।

০০০০০

নতুন দিল্লীত কালি হোৱা ভাৰত-ভূটান উন্নয়নমূলক সহযোগিতা আলোচনাত বিভিন্ন উপাদানৰ বিষয়ে আলোচনা কৰাৰ লগতে পূৰ্বৰ আলোচনাত অনুমোদিত প্ৰকল্পসমূহ ৰূপায়ণৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। ভাৰতীয় প্ৰতিনিধি দলটোক বৈদেশিক পৰিক্ৰমা বিভাগৰ পশ্চিমীয়া ৰাষ্ট্ৰৰ সচিব তন্ময় লালে আৰু ভূটানৰ দলটোক বিদেশ সচিব আউম পেমা চোডেনে নেতৃত্ব দিয়ে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰিছে যে,

৪ হাজাৰ ৯৫৮ কোটিটকা ব্যয়সাপেক্ষ মুঠ ৬১ টা প্ৰজেক্ট টাইড এচিষ্টেন্স চমুকৈ পিটিএ প্ৰকল্প আৰু ৪১৭ কোটি টকাৰ ২৮৩ টা হাই ইমপেক্ট কমিউনিটি ডেভেলপমেণ্ট প্ৰকল্প সম্প্ৰতি ৰূপায়ণৰ বিভিন্ন পৰ্যায়ত আছে।

দুয়োপক্ষই প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি পিটিএৰ কিছুমান প্ৰকল্পৰ বাবে আৱণ্টনৰ ক্ষেত্ৰত সংশোধন কৰিবলৈ সন্মত হয়। মন্ত্ৰালয়ে লগতে কয় যে, ভাৰত চৰকাৰে অৰ্থনৈতিক উদ্দীপনা কাৰ্যসূচীৰ দিশত ৭৫০ কোটি আৰু অনুদান হিচাপে ১০০ কোটি টকা মুকলি কৰি দিছে। কালিৰ বৈঠকত এই ধনৰ ব্যৱহাৰৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰা হয়। ভূটান পক্ষই ত্ৰয়োদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত ৰূপায়ণ হ'বলগীয়া পিটিএ প্ৰকল্পৰ প্ৰস্তাৱৰ দ্বিতীয়লানি অংশ কালি দাখিল কৰে।

ভূটান ৰজা আৰু ভাৰতৰ প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি আৰু ভূটান চৰকাৰ তথা দেশখনৰ জনসাধাৰণৰ অগ্ৰাধিকাৰৰ ভিত্তিত ভূটান চৰকাৰৰ সৈতে একেলগে কাম কৰি যাব বুলি বৈঠকত ভাৰতৰ প্ৰতিনিধি দলটোৱে প্ৰকাশ কৰে।

০০০০০

শ্ৰোতাৰ আদৰৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৭৮ বছৰত ভৰি দিছে। এই উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি পুৱা চাৰে ৯ বজাত বিভাগটোৰ লবীত কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ স্থাপন কৰিব। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰকেইখন আজি আনুষ্ঠানিকভাৱে অনাবৰণ কৰা হ'ব। অষ্ট সপ্ততিতম্ প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি দিনৰ ১০ বজাত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰবিষয়ক কুইজৰ বিজয়ীসকলৰ লগতে ভালেকেইগৰাকী প্ৰাক্তন সতীৰ্থৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠিত হ'ব।

আজি সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত 'ওপজা দিনৰ সুবাস' শীৰ্ষক এটা সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিলীপ দাসৰ গীত আৰু আলাপ, ডম্বৰুধৰ পাঠক আৰু জবা দাসৰ লোকগীত, উৎপল বৰাৰ মেন্দোলিন বাদন আৰু ৰঙিয়াৰ সমন্বয়ী কলাকেন্দ্ৰৰ শিল্পীসকলৰ নৃত্যানুষ্ঠান পৰিৱেশন কৰা হ'ব। প্ৰতিষ্ঠা দিৱসৰ প্ৰাক্ সন্ধিয়া আকাশবাণী গুৱাহাটীৰ কক্ষসমূহৰ দুৱাৰমুখ কালি ৰং-বিৰঙী বেলুনেৰে সজাই তোলাৰ লগতে সন্ধিয়ালৈ আলোকসজ্জাৰ ব্যৱস্থা কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি আকাশবাণী গুৱাহাটীৰ প্ৰাচীৰ পত্ৰিকা **আকাশী স্পন্দন**ৰ ষষ্ঠ বৰ্ষৰ একাদশ সংখ্যা আনুষ্ঠানিকভাৱে উন্মোচন কৰা হ'ব। **আকাশী স্পন্দন**ৰ এইবাৰৰ সংখ্যা গণশিল্পী দিলীপ শৰ্মাৰ জন্ম শতবৰ্ষ বিশেষ সংখ্যাৰূপে প্ৰকাশ কৰা হ'ব। আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৱিৱিধ ভাৰতী শাখাত অসমীয়া অনুষ্ঠানৰ প্ৰচাৰ পুনৰ আৰম্ভ কৰিব। ইয়াৰ উপৰিও আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই সাদিনীয়া নাট মহোৎসৱৰ আয়োজন কৰিছে। নাট শৃংখলাত আজি সূৰ্যৰ পৰিচালনাত ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ **ৰাৱন** শীৰ্ষক নাটকখন প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত আয়োজন কৰা **ওপজা দিনৰ সুবাস** অনুষ্ঠানটো ইয়াৰ মহাবাহু শাখাত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। এই পোনপটীয়াকৈ প্ৰচাৰৰ বাবে আমাৰ আজি সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত হ'বলগীয়া অসমীয়া বাতৰি সন্ধিয়া ৬ বাজি ২০ মিনিটত প্ৰচাৰিত হ'ব।

০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মহিলা দলৰ মাজত চলি থকা পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ব্ৰিষ্টলৰ কাউণ্টি খেলপথাৰত অনুষ্ঠিত হ'ব। নট্টিংহামৰ ট্ৰেণ্ট ব্ৰীজত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে ঘৰুৱা দলটোক ৯৭ ৰানৰ ব্যৱধানত পৰাস্ত কৰি ইতিমধ্যে ১-০ অগ্ৰগতি লাভ কৰিছে। খেলখনত স্মৃতি মান্ধানাই টি-২০ আন্তঃৰাষ্ট্ৰীয় খেলত নিজৰ প্ৰথমটো শতক অৰ্জন কৰিছিল। ইয়াৰ সুবাদত খেলুৱৈগৰাকীয়ে টেষ্ট, এদিনীয়া আৰু টি-২০- এই আটাইকেইটা সংস্কৰণতে শতক অৰ্জন কৰা ভাৰতৰ প্ৰথমগৰাকী মহিলা ক্ৰিকেট খেলুৱৈ হিচাপে পৰিগণিত হয়।

ooooo

সমাপ্ত